# জাননী

প্ৰিয় বিতৰণকাৰী আৰু বিশেষাধিকাৰী,
দিনটোৰ শুভেচ্ছা !!!!!

আপুনি আমাৰ মূল্যবান ছেনেল অংশীদাৰ। আপোনাৰ জ্ঞাত যে কোম্পানীৰ ব্যৱসায় ভাৰতীয় ৰিজাৰ্ভ বেঙ্ক (আৰবিআই) ৰ দ্বাৰা নিয়ন্ত্ৰিত আৰু পে'মেন্ট এণ্ড চেটলমেন্ট চিষ্টেম্চ এক্ট 2007, ইয়াত দিয়া নিয়ম আৰু নীতি তথা আৰ বি আই গাইডলাইন্সৰ সৈতে পঢ়া, এন্টি মানি লণ্ডাৰিং (এএমএল) গাইডলাইন্স্, কম্বেটিং ফাইনেন্সিং অৱ টে'ৰৰিষ্ট (চিএফটি) গাইডলাইন্স্, ন' ইয়ৰ কাষ্টমাৰ (কেৱাইচি) গাইডলাইন্সৰ ব্যৱস্থাসমূহ এই কোম্পানীৰ ব্যৱসায়ত প্ৰযোজ্য কৰা হৈছে। গতিকে, ব্যৱসায় নিয়াৰিকৈ চলাই যাবলৈ এইবোৰ ব্যৱস্থা মানি চলাটো কোম্পানী তথা ইয়াৰ ছেনেল অংশীদাৰ সমূহৰ দায়িত্ব। কোম্পানীয়ে কোম্পানী আৰু ইয়াৰ ছেনেল অংশীদাৰ সমূহৰ স্বাৰ্থ ৰক্ষাৰ হেতুকে এই জাননী জাৰি কৰিছে যাতে ব্যৱসায়ৰ কোনো ক্ষতি নহয়।

এন্টি টে'ৰৰিষ্ট স্কোৱাৰ্ড,চাইবাৰ ক্ৰাইম চেল, ক্ৰাইম ব্ৰাঞ্চ আৰু ভাৰতৰ বিভিন্ন অনুসন্ধানকাৰী সংস্থাই কৰি থকা বহুতো অনুসন্ধানৰ জৰিয়তে এইটো আমাৰ দৃষ্টিগোচৰ হৈছে যে বহুতো বিতৰণকাৰী আৰু বিশেষাধিকাৰীয়ে মিছা লটাৰী আঁচনি / জুৱাচুৰিত ভাগ লবলৈ প্ৰতাৰক / অসামাজিক উপাদানৰ দ্বাৰা প্ৰলোভিত হৈছে।

শেহতীয়াকৈ আমাৰ শ্ৰদ্ধেয় বিতৰণকাৰী আৰু আইচি ডব্লিউ সকলে বিভিন্ন নম্বৰৰ পৰা কল পাইছে যাৰ দেশৰ সঙ্কেত আৰম্ভ হয় + 92 (পাকিস্তান) আৰু যি তেওঁলোকৰ বেঙ্ক একাউন্টৰ সবিশেষ জানিব বিছাৰে। বহুতো বিতৰণকাৰীয়ে সঁচাকৈয়ে বেঙ্কৰ সবিশেষ দিছে আৰু বৃহৎ পৰিমাণৰ ধনো পাইছে যিটো তেওঁলোকৰ বেঙ্ক একাউন্টত জমা হৈছে। ইয়াৰ পিছত কলাৰজনে বিতৰণকাৰীক জনাই যে তেওঁলোকৰ বেঙ্ক একাউন্টত ধন জমা হৈছে আৰু এই জমা হোৱা ধন ৰাশিৰ বিপৰীতে বিতৰণকাৰীক তেওঁলোকৰ itzcash কাৰ্ডৰ একাউন্ট নম্বৰ আৰু পাছৱৰ্ড বিছাৰে।

0 কিছুমান ক্ষেত্ৰত ব্যক্তিজনে এজন অজ্ঞাত ব্যক্তিক কল কৰে (যি বিতৰণকাৰী বা আইচিডব্লিউ নহয়) আৰু তেওঁৰ
বেঙ্ক একাউন্ট নম্বৰ বিছাৰে তথা বহুতো সাধাৰণ মানুহক জনায় যে তেওঁলোকে এক লটাৰী জিকিছে আৰু
যে প্ৰক্ৰিয়া মাচুল হিচাপে এজন অজ্ঞাত ব্যক্তিৰ একাউন্টত টকা জমা দিবলৈ অনুৰোধ জনায়

0 ইয়াৰ পিছত তেওঁ সেই অজ্ঞাত ব্যক্তিক কল কৰি জমা হোৱা টকা উলিয়াবলৈ কয় আৰু এজন itzcash

বিতৰণকাৰীলৈ গৈ itzcash কাৰ্ড কিনিবলৈ কয় ।

0 এবাৰ কাৰ্ড কিনাৰ পিছত, পাকিস্তানৰ ব্যক্তিজনে অজ্ঞাত ব্যক্তিজনক একাউন্ট নম্বৰ আৰু itzcash কাৰ্ডৰ

পাছৱৰ্ড দিবলৈ কয় তেওঁলোকে ভাৰতবৰ্ষত বহুতো চহৰত বহুতো মানুহকেই ঠগিছে আৰু এতিয়া এই কথা পুলিচ কতৃপক্ষৰ দৃষ্টিগোচৰ হৈছে তথা চি বি আয়ে ইয়াৰ তদন্ত চলাইছে । আমাৰ কিছুমান বিতৰণকাৰী এনে ধৰণৰ প্ৰতাৰণাত লিপ্ত হোৱাৰ বাবে আৰু তেওঁলোকৰ বেঙ্ক একাউন্টত এই কামত ব্যৱহাৰ হ'বলৈ দিয়াৰ বাবে গ্ৰেপ্তাৰ হৈছে আৰু আৰক্ষীৰ জিম্মাত আছে । যদি আপোনালোকে এনে মিছা লটাৰী আঁচনি / জুৱাচুৰিত জানি শুনি বা অজানিতে লিপ্ত হয় তেন্তে এএমএল / চিএফটি / কেৱাইচি / পিএচএচ গাইডলাইন্স্, ৰেগুলেচনচ আৰু এক্টৰ অধীনত আপুনি আইনগত শাস্তিৰ বাবে বিবেচিত হ'ব ।

আইএফটিএচপিএল এ আপোনালোকক ইয়াৰ দ্বাৰা উপদেশ দিয়ে যে ফোনৰ জড়িয়তে কোনো অজ্ঞাত ব্যক্তিক কাৰ্ড বিক্ৰী কৰোতে সাৱধান তথা অধ্যাৱসায়ী হোৱা প্ৰয়োজন আৰু অনুৰোধ কৰে যে আপোনালোকে যেন যি কোনো যি ৰিটেইলাৰ (খুচুৰা বিক্ৰেতা) বা আইচিডব্লিউ নহয় সেই সকলক কাৰ্ড ইচ্ছ্যু কৰোতে অতিৰিক্ত সাৱধানতা অৱলম্বন কৰে । আপোনাক এইটোও উপদেশ দিয়া হয় যে যদি কোনো গ্ৰাহকে উচ্চ ৰাশিৰ কাৰ্ড বিছাৰে তেন্তে সেই ব্যক্তিক কাৰ্ড ইচ্ছ্যু কৰাৰ পূৰ্বে আইডি ঠিকণাৰ প্ৰমাণ আৰু প্ৰকৃত ম'বাইল ফোন নম্বৰ লব আৰু এইবোৰ যতনাই ৰাখিব । আপোনাক কোনো অজ্ঞাত ব্যক্তিক ফোনত একাউন্ট নম্বৰ আৰু itzcash কাৰ্ডৰ পাছৱৰ্ড নিদিবলৈও উপদেশ দিয়া হ'ল । itzcash কাৰ্ডৰ পিঠিত থকা ছপা পাছৱৰ্ড আৰু একাউন্ট নম্বৰ আপোনালোকে স্ক্ৰেচ্ছ্ কৰিব নোৱাৰে ।
যদি কোনো ব্যক্তিয়ে এই ব্যৱস্থা সমূহ উলংঘন কৰা বুলি সাব্যস্ত হয়, এই ধৰণৰ প্ৰতাৰণা আঁচনি / জুৱাচুৰিৰ পৰা উদ্ভৱ হ'ব পৰা সকলো লেঠাৰ পৰা আইএফটিএচপিএল এ নিজকে মুক্ত কৰিছে আৰু কোনোধৰণৰ দাবী বা আইনগত শাস্তিৰ বাবে দায়ী নহয় ।

যি বিতৰণকাৰী বা বিশেষাধিকাৰীয়ে এনে কোনো প্ৰতাৰণা আঁচনি / জুৱাচুৰিত লিপ্ত হোৱা বুলি সাব্যস্ত হয় আইএফটিএচপিএল এ তেওঁলোকৰ বিপৰীতে যথোপযুক্ত আইনগত পদক্ষেপ ল'ব । যদি কোনো প্ৰতাৰণা কাৰ্য্যকলাপত লিপ্ত হোৱা কথা গম পোৱা যায় তেন্তে আইএফটিএচপিএল এ এনে কাৰ্য্যকলাপৰ পৰা আদায় পোৱা ধন কৰায়ত্ত কৰাৰ ক্ষমতা ৰাখে ।

যদি আপুনি এনে কোনো কল পায় বা এনে কোনো ঘটনা গম পায়, আপোনাক তৎক্ষণাত আইএফটিএচপিএল ক 022-61125757 ত বা ই-মেইলত জনাবলৈ অনুৰোধ জনোৱা help@itzcash.comহ'ল ।

আপোনালোকক উপদেশ দিয়া হয় যে এনে কোনো অজ্ঞাত / সন্দেহজনক কল নলব আৰু এনে মিছা আঁচনি / জুৰাচুৰিৰ ভুক্তভোগী নহব ।

ধন্যবাদ
ইন্টাৰএক্টিভ ফাইনেন্সিয়েল এণ্ড ট্ৰেডিং চাৰ্ভিচেচ প্ৰা. লি,
তাং. 26 / 04 / 2011